# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-01-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## ***HEADLINES***

১। আজি পুৱাৰ ভাগত তিববত, নেপাল আৰু পূব-ভাৰতত অহা ৭ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পত কমেও ৫৩ জন লোক নিহত আৰু ৬২ জনৰো অধিক লোক আহত হৈছে।

২। অসমৰ ডিমাহাচাও জিলাৰ উমৰাংছ'ত কালি ৩০০ ফুট দ' কয়লাখনিত পানীত আৱদ্ধ হৈ পৰা শ্ৰমিকক উদ্ধাৰৰ বাবে নিয়োজিত নৌ সেনাৰ ডুবাৰুসকলে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলাই আছে।

৩। ইণ্টাৰপোলৰ আৰ্হিত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে প্ৰস্তুত কৰা ভাৰতপোল নামৰ প'ৰ্টেলটো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মুকলি কৰে।

৪। কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুড'ৱে পদত্যাগ কৰিছে। কানাডাক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৫১ সংখ্যক ৰাজ্য ৰূপে অন্তৰ্ভুক্ত হ'বলৈ আমেৰিকাৰ ভাবী ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰস্তাব আগবঢ়াইছে।

**আৰু**

৫। ভাৰতৰ তৃষা জল্লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীয়ে মালয়েছিয়া ছুপাৰ থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

উত্তৰ আৰু উত্তৰ-পূব ভাৰতত আজি পুৱা প্ৰায় ৬ বাজি ৩৫ মিনিটত এটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। নেপালৰ কাঠমাণ্ডুৰ পৰা প্ৰায় ২৮০ কিলোমিটাৰ উত্তৰ দিশত আৰু এভাৰেষ্ট শৃংগৰ পৰা প্ৰায় ৯০ কিলোমিটাৰ দূৰত্বত অভিকেন্দ্ৰ থকা আৰু ৰিখটাৰ স্কেলত ৭ দশমিক ১ প্ৰাবল্যৰ এই ভূমিকম্পৰ ফলত কমেও ৫৩ জন লোক নিহত আৰু ৬২ জনৰো অধিক লোক আহত হোৱাৰ বাতৰি পোৱা গৈছে। সংবাদ সংস্থাৰ বাতৰি অনুসৰি তিববতৰ ঝিয়াং নামৰ ঠাইত উৎপত্তি হোৱা এই ভূমিকম্পৰ জোকাৰণি নেপালৰ লবুছেৰ পৰা ৯৩ কিলোমিটাৰ নিলগলৈ অনুভূত হয়। ভাৰতৰ ছিকিম, বিহাৰ আৰু উত্তৰবংগৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ভূমিকম্পৰ ফলত বিহাৰ আৰু উত্তৰবংগত জনসাধাৰণ আতংকিত হৈ ঘৰৰ বাহিৰলৈ ওলাই অহা দেখা গৈছিল।

এই ভূমিকম্পৰ ক্ষয়-ক্ষতি সম্পৰ্কে বিশদ তথ্যৰ বাবে অপেক্ষা কৰা হৈছে। উল্লেখযোগ্য যে, ২০১৫ চনৰ এপ্ৰিলত নেপালত হোৱা ৭ দশমিক ৮ প্ৰাবল্যৰ প্ৰচণ্ড ভূমিকম্পত প্ৰায় ৯ হাজাৰ লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ২০ হাজাৰতৈকও অধিক লোক আহত হৈছিল।

০০০০০০০

অসমৰ ডিমাহাচাও জিলাৰ গুৱাহাটীৰ পৰা প্ৰায় ২৫০ কিলোমিটাৰ দূৰত্বৰ মেঘালয় সীমান্তৰ উমৰাংছ'ত কালি ৩০০ ফুট দ' এটা কয়লাখনিত পানী সোমোৱাৰ ফলত আৱদ্ধ হৈ পৰা শ্ৰমিকক উদ্ধাৰৰ বাবে নিয়োজিত নৌ সেনাৰ ডুবাৰুসকলে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলাই আছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দুপৰীয়া প্ৰকাশ কৰা অনুসৰি ৰাজ্য চৰকাৰৰ অনুৰোধ মৰ্মে আজি পুৱাৰ ভাগত নৌ সেনাৰ ডুবাৰু দলটো বিশাখাপট্টনমৰ পৰা আহি গুৱাহাটীত উপস্থিত হয় আৰু তেওঁলোকক হেলিকপ্টাৰ যোগে ঘটনাস্থলীলৈ ততাতৈয়াকৈ প্ৰেৰণ কৰা হয়। নৌ সেনাৰ দলটোৰ সৈতে সেনাবাহিনীৰ ডুবাৰুৰ দলো আছে। ঘটনাস্থলীত কালিয়ে উপস্থিত হোৱা ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য বাহিনী চমুকৈ এন ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্যোগ সাহায্য বাহিনী চমুকৈ এছ ডি আৰ এফৰ দলকেইটাও উদ্ধাৰ অভিযান চলাই আছে। প্ৰতিৰক্ষা সূত্ৰই গুৱাহাটী প্ৰকাশ কৰা অনুসৰি সৰু সৰু এন্দুৰৰ গাঁতসদৃশ গাঁত খান্দি কয়লাখনিৰ আভ্যন্তৰণলৈ প্ৰৱেশ কৰি কয়লা আহৰণৰ কামত নিয়োজিত ২৭ জন শ্ৰমিক কালি পুৱা বাহিৰৰ পৰা হঠাৎ সোমাই অহা পানীত আৱদ্ধ হৈ পৰে। ইয়াৰে ১৮ জন শ্ৰমিক কোনোমতে বাহিৰলৈ ওলাই আহি প্ৰাণ ৰক্ষা কৰিবলৈ সমৰ্থ হয় যদিও আন ৯ জন শ্ৰমিক খনিৰ আভ্যন্তৰত আৱদ্ধ হৈ পৰে। ঘটনাৰ বাতৰি পোৱাৰ লগে লগে অগ্নি নিৰ্বাপন বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। জিলাখনৰ আয়ুক্তগৰাকীৰ নেতৃত্বত ৰাজ্যিক দুৰ্যোগ সাহায্য বাহিনীৰ দলো আবেলিৰ ভাগত **তিন কিলো** নামৰ ঠাই ডোখৰত অৱস্থিত খনিটোত উপস্থিত হয় আৰু উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। সূত্ৰসমূহে জনোৱা মতে কেইবামিটাৰ দ পানীত আৱদ্ধ ৯ জন শ্ৰমিকক জীৱিত অৱস্থাত উদ্ধাৰ কৰাৰ সম্ভাৱনা প্ৰায় নিৰ্বাপিত হৈছে। উদ্ধাৰকাৰী দলে ড্ৰোণেৰে চলোৱা অভিযানত আজি পুৱা ৯ বজা পৰ্যন্ত তিনিটা মৃতদেহৰ অৱস্থিতি ধৰা পেলাইছে। নৌ সেনা আৰু সেনাবাহিনীৰ দলে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰেৰে মৃতদেহ উদ্ধাৰ কৰিব পাৰিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো কোনো কোনো স্থানত এনেধৰণৰ সৰু সৰু এন্দুৰৰ গাঁতসদৃশ গাঁত খান্দি খনিৰ আভ্যন্তৰণলৈ প্ৰৱেশ কৰি কয়লা আহৰণৰ অবৈধ খনন অব্যাহত আছে আৰু কেইবাগৰাকীও লোকে ইয়াৰ অসমৰ বিভিন্ন খনিত ইয়াৰ পূৰ্বে প্ৰাণ হেৰুৱাইছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰী মহম্মদ যাচান মৌমনৰ সৈতে দ্বিপাক্ষীক বৈঠকত মিলিত হ'ব। বৈঠকত দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা প্ৰকাশ, নিয়মীয়া সামৰিক প্ৰশিক্ষণকে ধৰি দ্বিপাক্ষীক প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন বিষয় পৰ্যালোচনা কৰিব।

০০০০০০০

ইণ্টাৰপোলৰ আৰ্হিত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে প্ৰস্তুত কৰা ভাৰতপোল নামৰ প'ৰ্টেলটো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মুকলি কৰে। এই প'ৰ্টেলটোৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় অপৰাধ সম্পৰ্কীয় আৰক্ষী সংস্থা অৰ্থাৎ ইণ্টাৰপোলৰ পৰা লাভ কৰা সকলো সাৱধানতামূলক আৰু সতৰ্কতামূলক জাননী সুশৃংখলিতৰূপত ৰখাৰ ব্যৱস্থা কৰা হ'ব। প'ৰ্টেলটো মুকলি কৰি গৃহমন্ত্ৰী শ্ৰী শ্বাহে কয়, যে ইয়াৰ জৰিয়তে ইণ্টাৰপোলে জাৰি কৰা ৰেড কৰ্ণাৰ নটিচকে ধৰি আন অপৰাধ সংক্ৰান্তীয় জাননী ভাৰতত জাৰি কৰাৰ ক্ষেত্ৰত সুবিধা হ'ব আৰু ইণ্টাৰপোলৰ সৈতে ভাৰতীয় অনুসন্ধানকাৰী সংস্থাসমূহৰ যোগাযোগ সুদৃঢ় হ'ব। শ্বাহে কয়, যে

নিচাযুক্ত দ্ৰব্য, অস্ত্ৰ-শস্ত্ৰ আৰু মানৱৰ অবৈধ সৰবৰাহ, সন্ত্ৰাসবাদ সম্পৰ্কীয় অপৰাধৰ ক্ষেত্ৰত ইণ্টাৰপোলে দিয়া তথ্য ভাৰতপোলৰ জৰিয়তে অধিক সুচাৰুৰূপে বিশ্লেষণ কৰিব পৰা যাব।

উল্লেখযোগ্য যে, দেশত ক্ৰমাৎ বৃদ্ধি তথ্য প্ৰযুক্তিজনিত অপৰাধ, বিত্তীয় অপৰাধ, অনলাইন অপৰাধ, পৰিকল্পিত অপৰাধ, নিচাযুক্ত দ্ৰব্য, অস্ত্ৰ-শস্ত্ৰ আৰু মানৱৰ অবৈধ সৰবৰাহ আদিৰ সঠিক তথ্য লাভৰ বাবে এই ভাৰতপোল প'ৰ্টেল মুকলি কৰা হৈছে।

আজিৰ এই অনুষ্ঠানতে গৃহমন্ত্ৰী অমিত শ্বাহে ৩৫ গৰাকী চি বি আই বিষয়া আৰু কৰ্মচাৰীক ৰাষ্ট্ৰপতিৰ আৰক্ষী মেডেল আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উৎকৃষ্ট সেৱা মেডেল প্ৰদান কৰে।

ooooooo

কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুড'ৰে পদত্যাগ কৰিছে। তেওঁৰ দল লিবাৰেল পাৰ্টীৰ মাজত সৃষ্টি হোৱা অসন্তুষ্টি আৰু জনমানসত সৃষ্টি হোৱা অসন্তুষ্টিৰ বাবে তেওঁ এই সিদ্ধান্ত লৈছে বুলি ট্ৰুড'ৰে প্ৰকাশ কৰিছে। যোৱা নিশা নৈশ আহাৰৰ পাছত আয়োজিত এখন সংবাদমেলত ট্ৰুড'ৰে তেওঁৰ ৯ বছৰীয়া কাৰ্যকালৰ পাছত প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰা বুলি ঘোষণা কৰে। কানাডাৰ সংসদ অহা ২৪ মাৰ্চলৈকে স্থগিত ৰখা হৈছে বুলি ৫৩ বছৰীয়া ট্ৰুড'ৰে ঘোষণা কৰে।

বিশ্বৰ বিভিন্ন দেশত প্ৰধানমন্ত্ৰী ট্ৰুড'ৰ এই ঘোষণাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আমেৰিকাৰ বিজয়ী ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কানাডাক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৫১ সংখ্যক ৰাজ্য ৰূপে চামিল হ'বলৈ আমন্ত্ৰণ জনাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ অংগৰাজ্য হ'লে কানাডা আমেৰিকাৰ সৈতে থকা ব্যাপক বাণিজ্যিক ঘাটিৰ পৰা ৰক্ষা পৰিব আৰু ৰাছিয়া আৰু চীনৰ যুদ্ধ জাহাজৰ পৰা অহা ভাবুকিৰ পৰাও দেশখন ৰক্ষা পৰিব বুলি ট্ৰাম্পে যুক্তি দৰ্শাইছে।

ooooooo

ওড়িশাত কাইলৈৰ পৰা ১০ জানুৱাৰীলৈ হ'বলগীয়া অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱসৰ অনুষ্ঠানত ওমানৰ পৰা অহা ভাৰতীয় সম্প্ৰদায়ৰ ৩০০ গৰাকী প্ৰতিনিধিৰ এটা বৃহৎ দলে অংশগ্ৰহণ কৰিব। এই প্ৰতিনিধি দলটোত ওমানত থকা প্ৰবাসী ভাৰতীয়ৰ বিভিন্ন ব্যৱসায়িক গোটৰ প্ৰতিনিধি আৰু বিশিষ্ট ব্যক্তিও আছে। ওমানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত অমিত নৰঙে দূতাবাসৰ এটা অনুষ্ঠানত প্ৰতিনিধি দলটোৰ যাত্ৰাৰ আনুষ্ঠানিক শুভাৰম্ভ কৰাৰ লগতে প্ৰতিনিধিসকলৰ বাবে প্ৰস্তুত কৰা "PRAVASI FROM OMAN" শীৰ্ষক প্ৰতীক উন্মোচন কৰে। অনুষ্ঠানৰ সময়ত প্ৰতিনিধিসকলে ঐতিহাসিক যাত্ৰাক প্ৰতিনিধিত্ব কৰা প্ৰতীকৰ লগতে ব্যৱসায়িক সামগ্ৰীৰ টোপোলাও লাভ কৰে।

প্ৰবাসী ভাৰতীয় সন্মিলনে প্ৰবাসত থকা ভাৰতীয়সকলক স্বদেশৰ সৈতে যোগাযোগ ৰক্ষাৰ আৰু ভাৰতৰ বিকাশৰ যাত্ৰালৈ বৰঙনি আগবঢ়োৱাৰ সুযোগ দিয়ে বুলি ৰাষ্ট্ৰদূত নাৰঙে এই সমাৰেশত মন্তব্য কৰে। ভাৰতে বিশ্ব শক্তি হিচাপে আত্মপ্ৰকাশ কৰাৰ প্ৰয়াস অব্যাহত ৰখাৰ সময়তে এই অনুষ্ঠানত ওমানৰ শক্তিশালী অংশগ্ৰহণে সেই দেশত থকা

ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ গৃহভূমিৰ সৈতে থকা আত্মিক সম্পৰ্কক প্ৰতিফলিত কৰাৰ লগতে দুয়ো দেশৰ সম্পৰ্কও উন্নীত কৰিব বুলি তেওঁ কয়।এই দিৱসৰ অংশ হিচাবে ৰাষ্ট্ৰীয় অভিলেখাগাৰে সংগহ কৰা প্ৰবাসী ভাৰতীয় সকলৰ সমলৰ বিশেষ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে । মাস্কটত থকা ভাৰতীয় দূতাবাসে গ্ৰহণ কৰা অভিলাষী প্ৰকল্পৰ অংশ হিচাবে এই প্ৰদৰ্শনীখনে ওমানৰ ঐতিহাসিক ভাৰতীয় বণিক পৰিয়ালৰ ব্যক্তিগত সংগ্ৰহৰ পৰা ইংৰাজী, আৰবী, গুজৰাটী আৰু হিন্দী ভাষাৰ ৭০০০ৰো অধিক ৰেকৰ্ড সফলতাৰে ডিজিটেলাইজ কৰিছিল। এই পদক্ষেপৰ অংশ হিচাপে থকা ওমানৰ হিন্দু মহাজন পৰিয়ালৰ এটা জ্যেষ্ঠ প্ৰতিনিধি দলে এই অনুষ্ঠানত হ'বলগীয়া প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিব ।

০০০০০০০

ভাৰতৰ তৃষা জল্লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীয়ে মালয়েছিয়া ছুপাৰ থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তৃষা আৰু গায়ত্ৰীৰ যুটীয়ে আজি থাইলেণ্ডৰ অৰ্নিছা জংছাথা প'ৰ্নপৰ্ন আৰু ছুকিতা ছুৱাছাইৰ যুটীক ২১-১০, ২১-১০ৰ পোনপটীয়া ছেটত পৰাজিত কৰি ৰাউণ্ড অব ছিক্সটিনত প্ৰৱেশ কৰিছে।

পুৰুষৰ ছিংগলছত ভাৰতৰ লক্ষ্য সেন, প্ৰিয়াংশু ৰাজাৱাট আৰু এইছ্ এছ্ প্ৰণয়ে আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ বাবে নিজ নিজ খেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত